**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১।	ৰাজ্যিক মৰ্যাদাৰে আজি সোণাপুৰৰ কমাৰকুছিত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শেষকৃত্য। শিল্পীগৰাকীক বিদায় জনাবলৈ পুৱাতেই অগণন লোক সমবেত।
২।	গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত জুবিন গাৰ্গৰ দ্বিতীয়বাৰৰ বাবে মৰণোত্তৰ পৰীক্ষা সম্পন্ন।
৩।	জনতাৰ প্ৰাণৰ শিল্পীৰ শেষকৃত্যৰ বাবে ৰাজ্যৰ সকলো শিক্ষানুষ্ঠান বন্ধ ঘোষণা। কামৰূপ মহানগৰ জিলাত বন্ধ থাকিব সকলো চৰকাৰী কাৰ্যালয়।
৪।	বিটিচি পৰিষদীয় নিৰ্বাচনৰ ৪০টা সমষ্টিৰ বাবে অনুষ্ঠিত ভোটগ্ৰহণত ৭৮ দশমিক ৪-২ শতাংশ লোকৰ ভোটদান।	**আৰু**
৫।	এছিয়া কাপ টি-২০ প্ৰতিযোগিতাৰ ছুপাৰ-ফ'ৰ পৰ্যায়ৰ খেলত আজি পাকিস্তান আৰু শ্ৰীলংকা মুখামুখি।

০০০০০০

আজি অসমবাসীৰ হৃদয় উকা কৰি গানৰ জ্যোতিষ্ক নিৰ্বাপিত হ'ব। সুৰৰ আঁচল ধৰি বহু দূৰলৈ গুচি যোৱা বিৰল প্ৰতিভাৰ আজি কায়িকভাৱে মহা অৱসান ঘটিব।

গান

ৰাজ্যৰ সংগীত ক্ষেত্ৰত কাহানিও পূৰাব নোৱৰা শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অন্তেষ্টিক্ৰিয়া আজি দিনৰ ভাগত যোৰাবাটৰ সমীপৰ কমাৰকুছিত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব। ইয়াৰাবাবে অন্ত্যেষ্টিক্ৰিয়াস্থলীত প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। মন্ত্ৰী কেশৱ মহন্তই শিল্পীগৰাকীৰ শেষকৃত্যৰ বিষয়ে এইদৰে কয় –

বাইট

অনুৰাগীসকলে কালিও অভূতপূৰ্ব ৰূপত প্ৰিয় শিল্পীক শ্ৰদ্ধা নিবেদন কৰে। হিয়াৰ আমঠু শিল্পীগৰাকীক শেষ দৰ্শনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি গোটেই নিশা অজস্ৰ গুণমুগ্ধই ভিৰ কৰে। আজি পুৱাতেই ষ্টেডিয়ামত শিল্পীগৰাকীক বিদায় জনোৱাৰ বাবে বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হৈছে।

গান

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি অন্ত্যেষ্টিক্ৰিয়াৰ স্থান পৰিদৰ্শন কৰি কয়, যে এই কাৰ্যসূচীত কেন্দ্ৰীয় চৰকাৰ আৰু বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজু, সৰ্বানন্দ সোণোৱাল, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিধানসভাৰ বিৰোধী পক্ষৰ নেতা দেৱব্ৰত শইকীয়া আৰু মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীও শেষকৃত্য কাৰ্যসূচীত উপস্থিত থাকিব। সুকলমে এই কাৰ্য সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

আজি সৰুসজাই ষ্টেডিয়ামৰ পৰা অন্ত্যেষ্টিক্ৰিয়াৰ স্থানলৈ শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ লৈ যোৱা সময়ৰে পৰা শেষকৃত্য সম্পন্ন হোৱালৈ ভিডিঅ'গ্ৰাফী কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে আজি শেষকৃত্যত হ'বলগীয়া ভিৰৰ প্ৰতি লক্ষ্য ৰাখি দিনৰ ২ বজালৈ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ ৰখা হ'ব আৰু আৰক্ষীয়ে আইন শৃংখলা ৰক্ষাৰ

বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই জুবিন গাৰ্গৰ অন্তিম যাত্ৰাৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব।

জুবিন গাৰ্গৰ পৰিয়ালৰ সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সন্মানাৰ্থে আজি অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকিব। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহ বন্ধ থাকিব যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আজি শিল্পীগৰাকীৰ সন্মানাৰ্থে গুৱাহাটী উচ্চ ন্যায়ালয়ো বন্ধ থাকিব। শিল্পীগৰাকীৰ বিয়োগৰ পৰিপ্ৰেক্ষিতত আজি আৰু কাইলৈ সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে।

সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে কালি কমাৰকুছিত জুবিন গাৰ্গৰ শেষকৃত্য স্থান পৰিদৰ্শন কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই সেই স্থান পৰিদৰ্শনৰ পাছত শিল্পীগৰাকীৰ সমাধিস্থলী বিশ্বমানৰ আৰু সৰ্বোৎত্তম ৰূপত নিৰ্মাণ কৰাৰ বাবে চৰকাৰক আহ্বান জনায়।

অসম জাতীয়তাবাদী ছাত্ৰ পৰিষদৰ এটা সজাতি দলে কালি শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান পৰিদৰ্শন কৰে। তেওঁলোকে ৰাইজৰ সুবিধা হোৱাকৈ সেই স্থান উপযোগী কৰি তুলিবলৈ আহ্বান জনায়।

ইপিনে কালিও জুবিন গাৰ্গক দেশ-বিদেশৰ বিভিন্ন সন্মানীয় ব্যক্তিয়ে আহি সৰুসজাই ষ্টেডিয়ামত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ভূটানৰ ৰজা জিগমে খেচাৰ নামগিয়াল ৱাংচুকৰ বিশেষ প্ৰতিনিধিয়ে কালি শিল্পীগৰাকীক অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে।

বাংলাদেশৰ জনসাধাৰণৰ হৈ দেশখনৰ উচ্চায়ুক্তই কালি শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

oooooo

অসমৰ জনসাধাৰণৰ বিপুল দাবীৰ পৰিপ্ৰেক্ষিতত আদৰৰ শিল্পী জুবিন গাৰ্গৰ আজি পুনৰ মৰণোত্তৰ পৰীক্ষা কৰা হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি এখন সংবাদমেল যোগে এই সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ছিংগাপুৰত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছিল যদিও ৰাইজে সমগ্ৰ ঘটনাটোক লৈ সন্দেহ প্ৰকাশ কৰাৰ লগতে বাৰম্বাৰ পুনৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে দাবী উত্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে বাধ্য হৈ এই সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি শেষকৃত্য সময়ৰ কিছু সালসলনি হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এইমাত্ৰ বিশেষজ্ঞ চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰিছে। কিছু সময়ৰ পাছতে শিল্পীগৰাকীক সৰুসজাই ষ্টেডিয়ামৰ পৰা শেষকৃত্যৰ বাবে সমদল কৰি লৈ যোৱা হ'ব।

বাইট (চি এম)

মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত জুবিন গাৰ্গৰ পত্নীৰ বিষয়ে কোনো তথ্যবিহিনভাৱে আপত্তিজনক মন্তব্য কৰি থকা সকলক আইনে সহজভাৱে নল'ব বুলিও সকীয়াই দিয়ে। তেওঁ আৰক্ষী আৰু আইনৰ ওপৰত আস্থা ৰাখি চলিবলৈ আহ্বান জনায়। তেওঁ লগতে সামাজিক মাধ্যমত ঘটনাটোৰ সন্দৰ্ভত বিভ্ৰান্তিকৰ তথ্য বিয়পাই থকা সকলক আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাত বিবৃতি দিবলৈও পৰামৰ্শ দিয়ে। অসম আৰক্ষীৰ দল তদন্তৰ বাবে ছিংগাপুৰলৈ গৈ ঘটনাস্থলীৰ চিচিটিভি ফুটেজ সংগ্ৰহ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ডঃ শৰ্মাই লগতে আজি বিয়লি ২ বজাৰ পাছত দোকান-পোহাৰ, ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ খোলা ৰাখিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কোনো লোকে ব্যৱসায়ীসকলক তেওঁলোকৰ প্ৰতিষ্ঠানসমূহ বন্ধ ৰখাৰ বাবে ভাবুকি দিলে চৰকাৰে উচিত ব্যৱস্থা ল'ব বুলি সকীয়াই দিয়ে। তেওঁ কোনো লোকক আইন হাতত তুলি নল'বলৈ আহ্বান জনায়।

বাইট (চি এম)

oooooo

জুবিন গাৰ্গ আৰু তেওঁৰ পৰিয়ালৰ সদস্যৰ বিৰুদ্ধে সামাজিক মাধ্যমত আপত্তিজনক কথা প্ৰচাৰ কৰাৰ অভিযোগত আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত কেইবাজনো লোকক আটক কৰিছে। দৰং আৰক্ষীয়ে কালি দলগাঁৱৰ এখন ব্যক্তিগত শিক্ষানুষ্ঠানৰ এগৰাকী শিক্ষকক এনে আপত্তিজনক মন্তব্যৰ অভিযোগত গ্ৰেপ্তাৰ কৰে। শিক্ষকজনৰ বিৰুদ্ধে দলগাঁও থানাত এটা সংগঠনে এজাহাৰ দাখিল কৰিছিল।

যোৰহাটতো এগৰাকী সাংবাদিকৰ বিৰুদ্ধে এনেধৰণৰ মন্তব্য কৰাৰ অভিযোগত এজাহাৰ দাখিল কৰা হৈছে। ইপিনে, যোৰহাটৰ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ কৰি শিল্পীগৰাকীৰ অনুৰাগীৰ নাম লৈ হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰা একাংশ লোকক নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়ে কালি লাঠীচালনা কৰাৰ লগতে কেইবাজনো লোকক আটক কৰে।

০০০০০০

উত্তৰ অসম পেট্ৰ'লিয়াম ডিলাৰ্ছ এছ'চিয়েচন- এন এ পি ডি এয়ে সংগীত জগতৰ খ্যাতনামা শিল্পী জুবিন গাৰ্গৰ মৃত্যুত শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে আজি ক্ষন্তেক সময়ৰ পাছৰে পৰা দিনৰ ২ বজালৈ তেজপুৰৰ সকলো পেট্ৰ'লপাম্প বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে। সংস্থাটোৱে এই বন্ধৰ সময়ছোৱাত জনসাধাৰণৰ পৰা সহায়-সহযোগৰ আহ্বান জনাইছে। সংস্থাটোৱে এটা প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ লোহাৰপট্টি অঞ্চলৰ জুবিন গাৰ্গৰ অনুৰাগীসকলে কালি নিশা অসম চিকিৎসা মহাবিদ্যালয়ৰ ৰোগী তথা আত্মীয়সকলক খাদ্য বিতৰণ কৰি শিল্পীগৰাকীৰ আদৰ্শক জীয়াই ৰখাৰ প্ৰচেষ্টা গ্ৰহণ কৰে। উল্লেখযোগ্য যে শিল্পীগৰাকীৰ আকস্মিক মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে ডিব্ৰুগড় জিলাতো বন্ধৰ স্বতঃস্ফূৰ্ত প্ৰভাৱ পৰে।

ইপিনে সমগ্ৰ ৰাজ্যতে ড্ৰাই ডে ঘোষণা কৰাৰ সময়তে ডিব্ৰুগড় জিলা প্ৰশাসনে কালি নিশা অভিযান চলাই চহৰখনৰ পুৰণি ৰে'লৱে ষ্টেচনৰ সমীপৰ ছুইপাৰপট্টিত অবৈধভাৱে মজুত ৰখা সুৰা জব্দ কৰাৰ লগতে জুৱাৰ আড্ডাও উৎখাত কৰে। ডিব্ৰুগড় ছাত্ৰ সন্থাৰ নিজাববীয়া অনুসন্ধানৰ জৰিয়তে এই অসাধু চক্ৰৰ ব্যৱসায় চলাই থকা কথাতো পোহৰলৈ আহে। পাছত জিলা প্ৰশাসন, আবকাৰী বিভাগ আৰু ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলৰ উপস্থিতিত অঞ্চলটোত প্ৰশাসনে অভিযান চলাই বুজন পৰিমাণৰ অবৈধ সুৰা আৰু অন্যান্য নিষিদ্ধ সামগ্ৰী জব্দ কৰিবলৈ সমৰ্থ হয়।

০০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ কালি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি কালি পুৱা পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ অনুষ্ঠিত ভোটগ্ৰহণত ৭৮ দশমিক ৪-২ শতাংশ লোকে ভোটদান কৰে। আমাৰ সংবাদ দাতাসকলে জনোৱা অনুসৰি বাক্সা জিলাত ৭৬ দশমিক ৯-২ শতাংশ ভোটদান হয়। কোকৰাঝাৰ জিলাৰ ১২টা সমষ্টিত ৮২ দশমিক ৩-১ শতাংশ ভোটগ্ৰহণ হয়। ৪০টা পৰিষদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ ই ভি এমৰ পৰিৱৰ্তে বেলট পেপাৰৰ জৰিয়তে কৰা হয়।

এইবাৰ নিৰ্বাচনত ৩১৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ২৬ লাখ ৫৮ হাজাৰ ১৫৩ গৰাকী ভোটাৰে এইসকল প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে গয়বাৰী আৰু দোতমা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে। বি পি এফৰ মুৰব্বী তথা প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দেৱৰ গাঁও আৰু চিৰাং দুৱাৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে দুৰ্গা পূজা উপলক্ষে ৰাজ্যিক কৰ্মচাৰী আৰু পেঞ্চনাৰসকলৰ ছেপ্তেম্বৰ মাহৰ দৰমহা আজিৰ পৰা মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰি দিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ

কৰি কয়, যে দুৰ্গা পূজাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ছেপ্তেম্বৰ মাহৰ দৰমহা ১ অক্টোবৰৰ পৰিৱৰ্তে আজিৰ পৰা মুকলি কৰি দিয়াৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি দৰমহাৰ বিল আজিৰ পৰা কোষাগাৰসমূহে লাভ কৰিব বুলিও তেওঁ কয়।

oooooo

উৎসৱৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে'লে ৪৬ খন বিশেষ ৰে'লৰ ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰিছে। দুৰ্গা পূজা, দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত যাতে যাত্ৰীসকল অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰপ্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উৎসৱ বিশেষ ৰে'লসমূহ কাটিহাৰ, সোণপুৰ, দৌৰাম মাধেপুৰা, মণিহাৰী, আগৰতলা, ধৰ্মনগৰ, নিউ তিনিচুকীয়া, এছ এম ভি টি বেংগালুৰু, অমৃতসৰ, নিউ জলপাইগুৰি, গুমটিনগৰ, কিষাণগঞ্জ, নাহৰকটীয়া গঞ্জ, পাটনা, ডিব্ৰুগড়, গোৰখপুৰ, শিলচৰ, নাহৰলগুণ, কলকাতা আৰু গুৱাহাটীৰ দৰে গুৰুত্বপূৰ্ণ স্থানসমূহৰ মাজত চলাচল কৰিব।

oooooo

এছিয়া কাপ টি-২০ প্ৰতিযোগিতাৰ ছুপাৰ-ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আবু ধাবিৰ শ্বেখ জায়েদ ষ্টেডিয়ামত হ'বলগীয়া এই খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। ভাৰত আৰু বাংলাদেশে ইতিমধ্যে ২ পইণ্টতকৈ লাভ কৰিছে যদিও পাকিস্তান আৰু শ্ৰীলংকাই এতিয়াও ছুপাৰ-ফ'ৰত কোনো পইণ্ট লাভ কৰা নাই। ভাৰতৰ হাতত পৰাস্ত হোৱাৰ পাছত পাকিস্তানৰ দলটোৱে আজিৰ খেলখনত জয়ৰ বাবে আপ্ৰাণ চেষ্টা চলাব। লীগ পৰ্যায়ৰ তিনিখন খেলত জয়লাভেৰে গ্ৰুপ-বিত শীৰ্ষত থকা শ্ৰীলংকাই ছুপাৰ-ফ'ৰৰ প্ৰথমখন খেলত বাংলাদেশৰ হাতত ৪ উইকেটত পৰাস্ত হৈছিল।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ গীতৰ কলি আৰু শিল্পীগৰাকীৰ এখন দৃষ্টিনন্দন আলোকচিত্ৰৰে অসম চৰকাৰৰ শ্ৰদ্ধাঞ্জলি প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে সুৰৰ মায়া এৰি লক্ষ লক্ষ অনুৰাগীক কন্দুৱাই চিৰদিনলৈ গুচি যাবলৈ লোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অন্তিম যাত্ৰা সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপচাৰ্য ড০ শম্ভুনাথ সিঙক বিশ্ববিদ্যালয়ৰ চৌহদত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠিত কৰিবলৈ অনুমতি নিদিয়াৰ বাবে শিক্ষাৰ্থীসকলে প্ৰশাসনিক ভৱনত আৱদ্ধ কৰি ৰখা বাতৰিটো প্ৰকাশ কৰিছে।

বাংলাদেশৰ বিশিষ্ট লেখক মুজাফ্‌ফৰ হুছেইন আৰু তছলিমা নাছৰিনে ফেচবুকত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ অপাৰ জনপ্ৰিয়তাক বিস্ময়, বিমুগ্ধ হৈ শিল্পীগৰাকী প্ৰতি প্ৰশংসাপূৰ্ণ লেখা শ্বেয়াৰ কৰিছে। এই বাতৰি দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে জুবিন গাৰ্গৰ শেষকৃত্য সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে। আজি সোণাপুৰৰ কমাৰকুছিত শিল্পীগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। এই একেটা বাতৰিক অসমীয়া খবৰ, দৈনিক অগ্ৰদূত আৰু আন আন কাকতেও প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত পুনৰবাৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা সন্দৰ্ভত এটা বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে।

দা ছেণ্টিনেল কাকতে প্ৰিয় শিল্পীক বিদায় দিবলৈ অসমবাসী সাজু হোৱাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্রা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্ছএপযোগে পঠিয়াব লাগিব। হোৱাট্ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০

সমাপ্ত